নং ঃ ৪৮/২০২২

## যোৰহাট ভ্ৰমণকালত জিলাখনৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

# ঐতিহাসিক যোৰহাট কেন্দ্ৰীয় কাৰাগাৰৰ ভূমিত ৰাজ্য চৰকাৰে এক মুক্তিযুঁজাৰু স্মাৰক উদ্যান নিৰ্মাণ কৰিব

**দিছপুৰ, ৪ ফেব্ৰুৱাৰী ঃ** ঐতিহাসিক যোৰহাট কাৰাগাৰৰ পুনৰ উন্নয়নৰ বাবে অসম চৰকাৰে এক প্ৰকল্প হাতত ল'ব আৰু ইয়াৰ অধীনত সংগ্ৰহালয়, উদ্যান, অভিৰ্ৰতন কেন্দ্ৰ আদি নিৰ্মাণৰ জৰিয়তে কেন্দ্ৰীয় কাৰাগাৰখনক স্বাধীনতা সংগ্ৰামীসকলৰ এক স্মাৰক হিচাপে গঢ়ি তুলিব। ১০০ কোটি টকা ব্যয়ৰ এই প্ৰকল্পৰ জৰিয়তে ৰাজ্য চৰকাৰ আৰু উত্তৰ-পূব পৰিষদৰ যুটীয়া বিনিয়োগেৰে বৰ্তমানে থকা কাৰাগাৰখনৰ আন্তঃগাঁথনি উন্নয়নৰ কামো হাতত লোৱা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তেওঁৰ যোৰহাট ভ্ৰমণকালত যোৰহাটস্থিত কাৰাগাৰসমূহৰ উপ মহাপৰিদৰ্শকৰ (সাংমণ্ডলিক) কাৰ্যালয়ত আয়োজিত এক বৈঠকত ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এই প্ৰকল্পৰ কাম-কাজৰ পৰ্যালোচনা কৰে। উল্লেখ্য যে কেন্দ্ৰীয় কাৰাগাৰখনৰ ৩৫০ বিঘা মাটিৰ ভিতৰৰ ১৫০ বিঘা মাটিত অভিৰ্ৰতন কেন্দ্ৰ, যোগ তথা ধ্যান কেন্দ্ৰ আদিৰে সৈতে এই স্মাৰক উদ্যানখন গঢ়ি তোলা হ'ব।

প্ৰস্তাৱিত এই স্বাধীনতা যুঁজাৰুৰ স্মাৰকত ১৯৫৭ চনৰ বিদ্ৰোহৰ সময়ৰে পৰা অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ মুক্তিযুঁজাৰুসকলৰ নাম উল্লেখ থাকিব। শ্বহীদ কুশল কোঁৱৰ আৰু মুক্তিযুঁজাৰু তথা সমাজ সংস্কাৰক পীতাম্বৰ দেৱগোস্বামীয়ে কাৰাবাস খটা কাৰাগাৰৰ কোঠা দুটাও এই স্মাৰক উদ্যানৰ অংশ হ'ব। ইয়াৰ উপৰি এই প্ৰকল্পৰ অধীনত কাৰাগাৰখনৰ বৰ্তমানে থকা আন্তঃগাঁথনিও উন্নীত কৰা হ'ব, যাৰ জৰিয়তে কাৰাগাৰৰ কৰ্মীসকলৰ বাবে এটা বহুমহলীয়া আৱাসিক ভৱন নিৰ্মাণ কৰা হ'ব। ৰাজ্য চৰকাৰে অচিৰেই এই ১০০ কোটি টকীয়া প্ৰকল্পটোক চূড়ান্ত ৰূপ দিব।

উল্লেখ্য যে ব্ৰিটিছ আমোলতে নিৰ্মাণ কৰা যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত দেশৰ স্বাধীনতা সংগ্ৰামৰ বহু স্মৃতি জড়িত হৈ আছে। ৰাজ্যৰ বহুকেইগৰাকী আগশাৰীৰ স্বাধীনতা সংগ্ৰামীয়ে এই কাৰাগাৰতে কাৰাবাস খাটিবলগীয়া হৈছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই নিজৰ স্বাধীনত দিৱসৰ ভাষণত দেশৰ স্বাধীনতাৰ মহাৰজত জয়ন্তী 'আজাদী কা অমৃত মহোৎসৱ' উদ্‌যাপনৰ লগত সংগতি ৰাখি এই কাৰাগাৰক মুক্তিযুঁজাৰুৰ স্মাৰক হিচাপে গঢ়ি তোলাৰ পৰিকল্পনাৰ কথা উল্লেখ কৰিছিল।

মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি যোৰহাটৰ চিনামৰাস্থিত শ্বহীদ মণিৰাম দেৱানৰ সমাধিস্থলো ভ্ৰমণ কৰি ১৯৫৭ চনৰ চিপাহী বিদ্ৰোহৰ সময়ত ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰাৰ অপৰাধত ফাঁচীকাঠত উলমিবলগীয়া হোৱা মহান মুক্তিযুঁজাৰুগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ

লগতে চিনামৰা চাহ বাগিছাত স্থাপন কৰা শ্বহীদগৰাকীৰ পূৰ্ণাবয়ব প্ৰতিমূৰ্তিস্থলীও পৰিদৰ্শন কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি যোৰহাট ষ্টেডিয়ামো পৰিদৰ্শন কৰে আৰু ষ্টেডিয়ামখনৰ কৰ্মকৰ্তাসকল তথা অন্যান্য ক্ৰীড়াপ্ৰেমীসকলৰ সৈতে এক আলোচনাত মিলিত হয়। বৰ্তমানে থকা যোৰহাট ষ্টেডিয়ামৰ ভূমিৰ সৈতে যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰ আৰু পেৰেড গ্ৰাউণ্ডক সংলগ্ন কৰি ষ্টেডিয়ামখনক এখন আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়াঙ্গন হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত থকা ৰাজ্য চৰকাৰৰ পৰিকল্পনাৰ কথা তেওঁ সদৰি কৰে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে যোৰহাট আৰৰ্ত্ত ভৱনত যোৰহাট চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়, বাল্য ভৱন, গমধৰ কোঁৱৰ স্মৃতি সুৰক্ষা সমিতি, ঢেকীয়াখোৱা বৰনামঘৰ, লাচিত মৈদাম পৰিচালনা সমিতি আৰু কলিয়াপানীস্থিত আউনিআটী সত্ৰৰ প্ৰতিনিধিসকলক সাক্ষাৎ কৰে। তেওঁ এই সংস্থাসমূহৰ প্ৰতিনিধিসকলক বিভিন্ন আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ বিত্তীয় অনুমোদন পত্ৰসমূহ প্ৰদান কৰে।

আনহাতে, যোৰহাট থিয়েটাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ যোৰহাট জিলা গোটৰ প্ৰতিনিধিসকলেও আজি মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি তেওঁলোকৰ বিভিন্ন সমস্যাৰ কথা অৱগত কৰে।

মুখ্যমন্ত্ৰীগৰাকীৰ আজিৰ যোৰহাট ভ্ৰমণকালত জিলাখনৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়কসকল ক্ৰমে হিতেন্দ্ৰ নাথ গোস্বামী, ভৱেন ভৰালী আৰু ৰূপজ্যোতি কুৰ্মীও উপস্থিত থাকে।

**বীঃগঃ / প্ৰঃকুঃবঃ**

***৪-২-২০২২***